# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2024
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***

**Headlines**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহিলাই ট্ৰেক্টৰো চলাব নোৱাৰে বুলি থকা ধাৰণা ভংগ কৰাৰ উদ্দেশ্যে তেওঁৰ চৰকাৰে গ্ৰামাঞ্চলৰ ছোৱালীৰ মাজত ড্ৰোন বিতৰণ কৰিছে।

২।	বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, ভাৰতে চীনৰ সন্মুখীন হোৱাৰ বাবে নিৰ্মাণখণ্ডত বিশেষ গুৰুত্ব প্ৰদান কৰাৰ আৱশ্যকতা আছে।

৩।	নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধিৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে।

৪।	ভাৰতীয় এথলীট গুলবীৰ সিঙে কেলিফৰ্ণিয়াৰ ছেন জোৱান কেপিষ্ট্ৰানোত অনুষ্ঠিত দ্যা টেন প্ৰতিযোগিতাৰ পুৰুষৰ ১০ হাজাৰ মিটাৰ দৌৰত দ্বিতীয় স্থান দখল কৰিছে। *আৰু*

৫।	ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আজি দিল্লীত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, মহিলাই ট্ৰেক্টৰো চলাব নোৱাৰে বুলি থকা ধাৰণা ভংগ কৰাৰ উদ্দেশ্যে তেওঁৰ চৰকাৰে গ্ৰামাঞ্চলৰ ছোৱালীসকলৰ মাজত ড্ৰোন বিতৰণ কৰিছে। দিল্লীত আয়োজিত ইণ্ডিয়া টুডে অভিৱৰ্তনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কালি এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, তেওঁ নমো ড্ৰোন বাইদেউ যোজনাৰ অধীনত মহিলা আত্মসহায়ক গোটৰ মাজত এহেজাৰ ড্ৰোন বিতৰণ কৰিছে। তেওঁ কয় যে, চৰকাৰে

মহিলাসকলক  অৰ্থনৈতিক আৰু প্ৰযুক্তিগত দিশৰ পৰা সৱল কৰি তোলাৰ উদ্দেশ্যে দায়িত্বশীল কামৰ বাবে বিশেষভাৱে বাচনি কৰিবলৈ লৈছে। ড্ৰোনসমূহে কৃষি আৰু গ্ৰামাঞ্চলৰ মহিলাৰ ভৱিষ্যত সলনি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে বিজেপি চৰকাৰে যোৱা ১০ বছৰত শাসনৰ এটা নতুন আৰ্হী বিকশাই তুলিছে য'ত অগ্ৰাধিকাৰৰ তালিকাত একেবাৰে শেষত থকা ব্যক্তি বিশেষৰ ওপৰত গুৰুত্ব প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ লগতে কয় যে, সমগ্ৰ বিশ্ব অনিশ্চয়তাৰ চাকনৈয়াত আৱদ্ধ হলেও ভাৰতৰ দ্ৰুত বিকাশ অব্যাহত থাকিব। শ্ৰীমোদীয়ে কয় যে, তেওঁ বাতৰিৰ শিৰোনাম দখলৰ বাবে কোনো কাম নকৰে বৰং নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। ২০১৪ চনৰ পূৰ্বে দেশত মাত্ৰ কেইশমানহে ষ্টাৰ্টআপ প্ৰতিষ্ঠান আছিল আৰু বৰ্তমান এনে ষ্টাৰ্টআপৰ সংখ্যা এক লাখ ২৫ হাজাৰলৈ বৃদ্ধি পাইছে বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। শ্ৰীমোদীয়ে কয় যে সমগ্ৰ দেশে ভাৰতবৰ্ষ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱাটো কামনা কৰে।

০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে, ভাৰতে চীনৰ সন্মুখীন হোৱাৰ বাবে নিৰ্মাণখণ্ডত বিশেষ গুৰুত্ব প্ৰদান কৰাৰ আৱশ্যকতা আছে। এটা সংবাদ গোষ্ঠীয়ে আয়োজন কৰা এখন সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে চীনৰ সৈতে অকল সীমা বিবাদেই নহয় বৰং বিভিন্ন প্ৰকাৰৰ অৰ্থনৈতিক বিষয়ো আছে। তেওঁ কয় যে, সৱল অৰ্থনৈতিক বলতহে চীনৰ মোকাবিলা কৰিব পৰা যায়। বিগত এটা দশকত ভাৰতে নিৰ্মাণকণ্ডত গুৰুত্ব আৰোপ কৰিবলৈ আৰম্ভ কৰিছে বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ২০২০ চনত গলৱান সংঘৰ্ষৰ পাছত চীনৰ সৈতে সম্পৰ্কৰ অৱনতি ঘটিছে যদিও দীৰ্ঘদিন ধৰি উত্তেজনা অব্যাহত আছে। চীনৰ সৈতে সামৰিক পৰ্যায়ৰ আলোচনা সন্দৰ্ভত ড০ জয়শংকৰে কয় যে, সীমান্ত এলেকাৰ তহল সম্পৰ্কীয়  ভালেমান বিষয় অমীমাংসিত হৈ আছে কিয়নো দুয়োখন দেশৰ সেনা অগ্ৰিম স্থানত দৃঢ়তাৰে অটল হৈ আছে।

০০০

লোকসভা আৰু ৪ খন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধিৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে। কেবিনেট সচিব, সকলো ৰাজ্যৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ লিখা এখন পত্ৰত আয়োগে কৈছে যে, নিৰ্বাচন ঘোষণা কৰাৰ পৰা ২৪ ঘণ্টাৰ ভিতৰত সকলো চৰকাৰী সম্পত্তিৰ ওপৰত আৰি থোৱা বেনাৰ-পোষ্টাৰ আঁতৰ কৰিব লাগিব আৰু দেৱাল লিখন মুচি দিব লাগিব। আয়োগে কৈছে যে, ৰাজহুৱা সম্পত্তি আৰু ৰে'ল ষ্টেচন, বাছ আস্থানৰ দৰে ৰাজহুৱা স্থানত অনাধিকৃত দেৱাল লিখন বা পোষ্টাৰ-হোৰ্ডিং, বেনাৰ, পতাকাৰ ৰূপত প্ৰদৰ্শন কৰা ৰাজনৈতিক বিজ্ঞাপন ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব। একেদৰে নিৰ্বাচনৰ ঘোষণাৰ পৰা ৭২ ঘণ্টাৰ ভিতৰত ব্যক্তিগত সম্পত্তিত প্ৰদৰ্শন কৰা সকলো অনাধিকৃত ৰাজনৈতিক বিজ্ঞাপন আঁতৰ কৰিব লাগিব। আয়োগে লগতে কৈছে যে, নিৰ্বাচনী কাম-কাজত নিয়োজিত বিষয়াৰ বাহিৰে কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা নিৰ্বাচনৰ সৈতে জড়িত আন ব্যক্তিৰ দ্বাৰা চৰকাৰী বাহন ব্যৱহাৰৰ ক্ষেত্ৰত পূৰ্ণ নিষেধাজ্ঞা থাকিব। চৰকাৰী খৰচত চৰকাৰৰ সাফল্য সন্দৰ্ভত বৈদ্যুতিন অথবা ছপা মাধ্যমত কোনো ধৰণৰ বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব বুলি আয়োগে স্পষ্ট কৰি দিছে। মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াসকলে নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পাছত চৰকাৰৰ সাফল্য প্ৰদৰ্শন কৰা যিকোনো বিজ্ঞাপন

আঁতৰাবলৈ বা বন্ধ কৰিবলৈ ততালিকে ব্যৱস্থা কৰিব লাগিব। মুখ্য নিৰ্বাচনী বিষয়াসকলে বিভাগৰ চৰকাৰী ৱেবছাইটৰ পৰা যিকোনো বিজ্ঞাপনৰ ফটো আঁতৰ কৰাৰ বাবে অথবা লুকুৱাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা উচিত। আয়োগে কৈছে যে, নিৰ্বাচন হ'বলগীয়া ৰাজ্য কেইখনত ৱেবছাইট আৰু ক'ল চেণ্টাৰ আধাৰিত ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থাৰ দিহা কৰা হ'ব। এনে কল চেণ্টাৰৰ শুল্কবিহীন নম্বৰ হ'ব ১৯৫০। নিৰ্বাচনৰ মূল কাম-কাজৰ প্ৰচাৰ কৰা হ'ব আৰু ইয়াৰ বাবে ৰেডিঅ', টিভি, চিনেমা আৰু চৰকাৰী চেনেলৰ জৰিয়তে আৱশ্যকীয় তথা প্ৰচাৰ কৰা হ'ব।

০০০

লোকসভা আৰু ৪ খন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধিৰ ব্যৱস্থাসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে। কেবিনেট সচিব, সকলো ৰাজ্যৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ লিখা এখন পত্ৰত আয়োগে কৈছে যে, নিৰ্বাচন ঘোষণা কৰাৰ পৰা ২৪ ঘণ্টাৰ ভিতৰত সকলো চৰকাৰী সম্পত্তিৰ ওপৰত আৰি থোৱা বেনাৰ-পোষ্টাৰ আঁতৰ কৰিব লাগিব আৰু দেৱাল লিখন মুচি দিব লাগিব। আয়োগে কৈছে যে, ৰাজহুৱা সম্পত্তি আৰু ৰে'ল ষ্টেচন, বাছ আস্থানৰ দৰে ৰাজহুৱা স্থানত অনাধিকৃত দেৱাল লিখন বা পোষ্টাৰ-হোৰ্ডিং, বেনাৰ, পতাকাৰ ৰূপত প্ৰদৰ্শন কৰা ৰাজনৈতিক বিজ্ঞাপন ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব। একেদৰে নিৰ্বাচনৰ ঘোষণাৰ পৰা ৭২ ঘণ্টাৰ ভিতৰত ব্যক্তিগত সম্পত্তিত প্ৰদৰ্শন কৰা সকলো অনাধিকৃত ৰাজনৈতিক বিজ্ঞাপন আঁতৰ কৰিব লাগিব। আয়োগে লগতে কৈছে যে, নিৰ্বাচনী কাম-কাজত নিয়োজিত বিষয়াৰ বাহিৰে কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা নিৰ্বাচনৰ সৈতে জড়িত আন ব্যক্তিৰ দ্বাৰা চৰকাৰী বাহন ব্যৱহাৰৰ ক্ষেত্ৰত পূৰ্ণ নিষেধাজ্ঞা থাকিব। চৰকাৰী খৰচত চৰকাৰৰ সাফল্য সন্দৰ্ভত বৈদ্যুতিন অথবা ছপা মাধ্যমত কোনো ধৰণৰ বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব বুলি আয়োগে স্পষ্ট কৰি দিছে। মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াসকলে নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পাছত চৰকাৰৰ সাফল্য প্ৰদৰ্শন কৰা যিকোনো বিজ্ঞাপন আঁতৰাবলৈ বা বন্ধ কৰিবলৈ ততালিকে ব্যৱস্থা কৰিব লাগিব। মুখ্য নিৰ্বাচনী বিষয়াসকলে ৰাজ্য বিভাগৰ চৰকাৰী ৱেবছাইটৰ পৰা যিকোনো বিজ্ঞাপনৰ ফটো আঁতৰ কৰাৰ বাবে অথবা লুকুৱাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা উচিত। আয়োগে কৈছে যে, নিৰ্বাচন হ'বলগীয়া ৰাজ্য কেইখনত ৱেবছাইট আৰু ক'ল চেণ্টাৰ আধাৰিত ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থাৰ দিহা কৰা হ'ব। এনে কল চেণ্টাৰৰ শুল্কবিহীন নম্বৰ হ'ব ১৯৫০। নিৰ্বাচনৰ মূল কাম-কাজৰ প্ৰচাৰ কৰা হ'ব আৰু ইয়াৰ বাবে ৰেডিঅ', টিভি, চিনেমা আৰু চৰকাৰী চেনেলৰ জৰিয়তে আৱশ্যকীয় তথা প্ৰচাৰ কৰা হ'ব।

০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩

বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০

ত্ৰিপুৰা ৰাজ্যিক নিৰ্বাচন বিভাগে ৰাজ্যখনৰ দুখন আসনৰ বাবে ১৯ আৰু ২৬ এপ্ৰিলত অনুষ্ঠিত হবলগীয়া আসন্ন লোকসভা নিৰ্বাচনৰ বাবে যন্ত্ৰপাতিসমূহ সাজু কৰি তুলিছে। পশ্চিম ত্ৰিপুৰাত ১৯ এপ্ৰিল আৰু পূৱ ত্ৰিপুৰাত ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হব। উল্লেখযোগ্য যে ভাৰতীয় জনতা পাৰ্টীৰ বৰ্তমানৰ ৰাম নগৰ বিধানসভা সমষ্টিৰ বিধায়ক সুৰজিত দত্তৰ মৃত্যুৰ পাছত আসনখন খালী হৈ থকা বাবে ১৯ এপ্ৰিলত উপ নিৰ্বাচন অনুষ্ঠিত হব। বৰ্তমান নিৰ্বাচন ব্যৱস্থাক স্বতন্ত্ৰ, সুস্থ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰাৰ বাবে ৰাজ্যত নিৰ্বাচনী যন্ত্ৰসমূহৰ দ্বাৰা পূৰ্ণদ্যমে প্ৰস্তুতি চলাই থকাৰ সময়তে ২৮ লাখ ৫৬ হাজাৰ লোকে ভোটাধিকাৰ সাব্যস্ত কৰিব বুলি জানিব পৰা গৈছে। আনহাতে, আকাশবাণীৰ সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ত্ৰিপুৰাৰ মুখ্য নিৰ্বাচনী বিষয়াই জনোৱা মতে, পশ্চিম ত্ৰিপুৰা লোকসভা কেন্দ্ৰত ১৪ লাখতকৈ অধিক ভোটাৰৰ বিপৰীতে পূৱ ত্ৰিপুৰা কেন্দ্ৰত ১৩ লাখ ৯৫ হাজাৰতকৈ অধিক ভোটাৰ আছে। ইয়াৰ লগতে ৮৫ বছৰতকৈ অধিক বয়সৰ লোক তথা দিব্যাংগসকলে ঘৰতে ভোট দিব পাৰিব তথা বয়োজ্যেষ্ঠ ভোটাৰৰ সংখ্যা ১৮ হাজাৰ ৬৭৬ হোৱাৰ বিপৰীতে দিব্যাংগ ভোটাৰৰ সংখ্যা ১৯ হাজাৰ ৮৭৬ গৰাকী বুলি প্ৰকাশ কৰে। আনহাতে, ৰাজ্যখনৰ মুঠ তিনি হাজাৰ ৩৪৯ টা ভোটকেন্দ্ৰৰ ভিতৰত পূৱ ত্ৰিপুৰাত এহেজাৰ ৬৬৪ টা ভোটকেন্দ্ৰৰ বিপৰীতে পশ্চিম ত্ৰিপুৰাত এহেজাৰ ৬৮৫ টা ভোটকেন্দ্ৰ থকাৰ লগতে মডেল ভোটকেন্দ্ৰ থাকিব বুলি নিৰ্বাচনী বিষয়াই উল্লেখ কৰে। উল্লেখযোগ্য যে প্ৰতিটো বিধানসভা ক্ষেত্ৰত দুটাকৈ মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ থকাৰ বিপৰীতে আগৰতলা, উদয়পুৰ আৰু ধৰ্মনগৰ পৌৰ নিগম অঞ্চলসমূহত ন্যূনতম ৫ টা মহিলাৰ দ্বাৰা পৰিচালিত কেন্দ্ৰ থাকিব। বিজেপিয়ে পূৰ্বৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱক পশ্চিম ত্ৰিপুৰাৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰাৰ বিপৰীতে মহাৰাণী কৃতী সিং দেৱবাৰ্মাক পূৱ ত্ৰিপুৰা আসনৰ বাবে মনোনিত কৰিছে। আনহাতে, কংগ্ৰেছ দলৰ প্ৰাৰ্থী কশিছ কুমাৰ সাহাই বিপ্লৱ দেৱৰ বিপৰীতে প্ৰতিদ্বন্দিতা কৰিব বুলি প্ৰকাশ কৰিছে।

০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ আজি দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেল্‌হি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

স্মৃতি মন্ধনা নেতৃত্বাধীন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে শুকুৰবাৰে দিল্লীত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ডেল্‌হি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ভিতৰত ছখনত জয়লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। ৰয়েল চেলেঞ্জাৰ্ছে এতিয়ালৈকে ৪ খন খেলত জয়ী হৈছে।

০০০

সমাপ্ত